समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দশম শ্ৰেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)

পাঠ - ১০

অৰুণিমা সিনহা

অংশ - ৩

অংগৰাগ ভূঞা



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

প্ৰশ্নাৱলী

ভাব-বিষয়ক :

১। চমুকৈ উত্তৰ লিখা —

(ক) অৰুণিমা সিন্‌হাৰ কোনবিধ খেলত বিশেষ দক্ষতা আছিল?

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- অৰুণিমা সিন্‌হাৰ ভলীবল খেলত বিশেষ দক্ষতা আছিল।



(খ) অৰুণিমা সিন্‌হাৰ ঘৰ ক'ত?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- অৰুণিমা সিন্‌হাৰ ঘৰ উত্তৰ প্ৰদেশত আছিল।



(গ) হস্পিতালত থাকোঁতে অৰুণিমাৰ মনত কি সপোনে তীব্ৰ ৰূপ লৈছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- হস্পিতালত থাকোঁতে অৰুণিমাৰ মনত হিমালয়ৰ শৃংগলৈ উঠাৰ সপোনে তীব্ৰ ৰূপ লৈছিল।



(ঘ) চিকিৎসালয়ৰ পৰা ওলাই গৈ অৰুণিমাই কাক আৰু কিয় লগ ধৰিছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- চিকিৎসালয়ৰ পৰা ওলাই গৈ অৰুণিমাই পৰ্বতাৰোহনৰ প্ৰশিক্ষণৰ বাবে বাচেন্দ্ৰি পালক লগ ধৰিছিল। কিয়নো অৰুণিমাৰ আছিল পৃথিৱীৰ শীৰ্ষতম স্থানত অৰ্থাৎ, এভাৰেষ্টত থিয় হোৱাৰ তীব্ৰ হেঁপাহ । তেওঁৰ বিশ্বাস আছিল এভাৰেষ্ট বিজয়ী বাচেন্দ্ৰি পালে তেঁওক সঠিক পথ দেখুৱাই পৰামৰ্শ দিব পাৰিব।

(ঙ) মাউন্ট এভাৰেষ্টত অৰুণিমাই কেতিয়া আৰোহণ কৰিছিল? তেওঁ তাত কিমান সময় ধৰি আছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


উত্তৰঃ- মাউণ্ট এভাৰেষ্টত অৰুণিমাই ২০১৩ চনৰ ২১ মে' তাৰিখে আৰোহণ কৰিছিল। তেওঁ তাত ডেৰ ঘণ্টা সময় আছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। অৰুণিমা সিন্হাই ৰে'লযাত্ৰাৰ সময়ত কি দুৰ্ঘটনাৰ মুখামুখি হ'বলগীয়া হৈছিল? এই দুৰ্ঘটনাত অৰুণিমাই কি হেৰুৱাবলগীয়া হৈছিল?



উত্তৰঃ- অৰুণিমা সিন্হাই ৰে'লযাত্ৰাৰ সময়ত দুৰ্বৃত্তৰ কবলত পৰিছিল। দুৰ্বৃত্তৰ দলটোৱে ৰে'লযাত্ৰীসকলৰ পৰা টকা-পইচাৰ লগতে হাতৰ, কাণৰ, ডিঙিৰ আটাইবোৰ আ-অলংকাৰ কাঢ়ি লৈ গৈছিল। আন আন যাত্ৰীৰ লগতে অৰুণিমাৰ ডিঙিৰ চেইনডাল বিছাৰিছিল। কিন্তু অৰুণিমাই চেইনডাল দিবলৈ মান্তি হোৱা নাছিল। তেওঁ ডকাইতবোৰক কৈছিল যে সেইডাল এডাল চেইন নহয়, তাইৰ মাকে তাইক দিয়া আশীৰ্বাদ। ডকাইতবোৰে বাৰে বাৰে দিয়া ধমকিৰ ওচৰত অৰুণিমাই সেও মনা নাছিল।


সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

প্রশ্ন ৭

উত্তৰঃ- অৱশেষত অন্যায়ৰ ওচৰত সেও নমনা অৰুণিমাক ডকাইতবোৰে ডাংকোলাকৈ তুলি নি চলন্ত ৰে'লগাড়ীখনৰ পৰা বাহিৰৰ অন্ধকাৰলৈ দলিয়াই দিলে। সেই সময়তে ওচৰৰে আন এখন ৰে'ল গাড়ী আহি আছিল। অৰুণিমাৰ শৰীৰটো চলন্ত ৰে'ল গাড়ীখনত বস্তা এটাৰ দৰে খুন্দা খাই তললৈ পৰি গ'ল। অৰুণিমাই প্ৰাণপ্ৰণে চিয়ৰিলে, কিন্তু ৰে'লৰ ইঞ্জিন আৰু চকাৰ শব্দত তাইৰ মাত তল পৰি গ'ল। অৰুণিমাই প্ৰায় ৭ঘন্টা সময় ৰে'ল আলিৰ কাষত পৰি থাকিল আৰু সেই সময়ত কাষেদি ঊনচল্লিশখন ৰে'ল পাৰ হৈ গ'ল।

এই দুৰ্ঘটনাত অৰুণিমাই এখন ভৰি চিৰদিনৰ বাবে হেৰুৱাব লগা হ'ল আৰু আন খন ভৰিত লোৰ ৰড সুমুৱাই তাৰ সহায়ত চলাফিৰা কৰিব পৰা হ'ল। হেৰোৱা ভৰিখনৰ ঠাইত কৃত্রিম ভৰি সংযোজন কৰা হ'ল।



৩। অৰুণিমাৰ সপোন পূৰণ কৰাৰ ক্ষেত্ৰত বাচেন্দ্ৰি পালে কেনেদৰে সহায় কৰিছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ৰে'লযাত্রাত দুর্বৃত্তৰ কবলত পৰি নিজৰ ভৰি হেৰুওৱা অৰুণিমা সিন্হাৰ মনত হস্পিতালৰ বিছনাত শুই থাকোতেই হিমালয় শৃংগলৈ যোৱাৰ সপোন তীব্র হ'বলৈ ধৰিলে। এনেতে তেওঁ গম পালে এভাৰেষ্ট বিজয়ী বাচেন্দ্রি পালে তেওঁক সঠিক পৰামর্শ দিব পাৰিব। চাৰি মাহৰ মূৰত তেওঁ হস্পিতালৰ পৰা ওলাই ঘৰলৈ নগৈ পোনে পোনে বাচেন্দ্রি পালৰ ওচৰ পালেগৈ।

বাচেন্দ্রি পালে অৰুণিমাৰ সকলো কথা সহমর্মিতাৰে শুনিলে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা


Under CSR Support by
ipca | Foundation

ছোৱালীজনীৰ দুচকুত সপোন, প্ৰত্যাহ্বান আৰু আত্মপ্ৰত্যয়ৰ ভাৱে তেওঁৰ মনতো বিশ্বাস জন্মালে যে, সঠিক প্ৰশিক্ষণ আৰু সাহস পালে, এগৰাকী ছোৱালীয়ে নিশ্চয় এদিন লক্ষ্যত উপনীত হ'ব পাৰিব। অৱশেষত "টাটা ষ্টীল এডভেঞ্চাৰ ফাউণ্ডেচনে" চলোৱা অনুশীলন কেম্পত এভাৰেষ্ট বিজয়ী বাচেন্দ্ৰি পালৰ তত্ত্বাৱধানত অনুশীলন চলিল আৰু ২০১৩ চনৰ ২১ মে'ত তেওঁ মাউণ্ট এভাৰেষ্ট আৰোহণ কৰিবলৈ সক্ষম হ'ল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। এভাৰেষ্ট বিজয়ৰ সপোন দিঠকত পৰিণত কৰিবলৈ অৰুণিমাই কেনেদৰে অনুশীলন কৰিছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- এভাৰেষ্ট বিজয়ৰ সপোন পূৰণ কৰিবলৈ অৰুণিমাই কঠোৰ অনুশীলন কৰিছিল। টাটা ষ্টীল এডভেঞ্চাৰ ফাউণ্ডেচনে চলোৱা অনুশীলন কেম্পত এভাৰেষ্ট বিজয়ী বাচেন্দ্রি পালৰ তত্ত্বাৱধানত অনুশীলন চলিল।

শাৰীৰিক, মানসিক, দুয়ো দিশতে একোৰে অভাৱ নাছিল অৰুণিমাৰ। তেওঁ ভৰিখন হেৰুৱাৰ দুর্ভাগ্যক সৌভাগ্যলৈ ৰূপান্তৰিত কৰাৰ প্রতিজ্ঞা সফল কৰিবলৈ উঠি পৰি লাগিছিল ।অৰুণিমাই প্রায় এবছৰ কাল একে লেথাৰিয়ে উৎসাহ উদ্যমেৰে অহৰহ চেষ্টা অব্যাহত ৰাখি অনুশীলনতে আত্মসমর্পণ কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

কেতিয়াবা এনেকুৱাও হৈছিল আন সাধাৰণ মানুহে যিটো খোজ দুই বা তিনি মিনিটতে শিকিব পাৰিছিল তেওঁৰ ক্ষেত্ৰত সেই খোজটো শিকিবলৈ দুই তিনি ঘণ্টাৰ অধিক সময় লাগি গৈছিল। তথাপি অৰুণিমাই আশা এৰি দিয়া নাছিল। এনেদৰে কঠোৰ অনুশীলনৰ পিছত অৰুণিমাই ২০১৩ চনৰ ২১ মে'ত পৃথিৱীৰ শীৰ্ষতম স্থান অৰ্থাৎ, এভাৰেষ্টত পদাৰ্পন কৰাৰ সপোন সাকাৰ হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। অৰুণিমা সিন্‌হাই কিয় লাডাখত থকা মাউন্ট চামছেৰ কাংৰিৰ অভিযান সম্পূৰ্ণ কৰিব নোৱাৰিলে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- লাডাখত থকা মাউন্ট চামছেৰ কাংৰিৰ ২১, ১০৮ ফুট উচ্চতালৈ আৰোহণ কৰিবলৈ তেওঁ সক্ষম হৈছিল । পিছে চামছেৰ কাংৰিৰ উচ্চতম শিখৰলৈ উচ্চতা আছিল ২১,৭৯৮ ফুট।সেই সময়ত বতৰ আছিল অত্যন্ত প্ৰতিকূল এনে প্ৰতিকূল বতৰত আভিযান চলোৱা অসম্ভৱ হৈ পৰাত শিখৰলৈ মাত্ৰ ৬৯০ ফুট অতিক্ৰম কৰিবলৈ বাকী থাকোতে অৰুণিমা সিন্হা আৰু সংগীসকলে অভিযান সামৰি তললৈ নামি আহিব লগা হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৬। অৰুণিমা সিন্‌হাৰ এভাৰেষ্ট অভিযানৰ বৰ্ণনা দিয়া।



উত্তৰঃ- এভাৰেষ্ট বিজয়ৰ সপোন দিঠকত পৰিণত কৰিবৰ বাবে অৰুণিমাই কঠোৰ ভাৱে অনুশীলন কৰিছিল। ভৰিখন হেৰুৱাৰ দুর্ভাগ্যক সুভাগ্যলৈ ৰূপান্তৰিত কৰাৰ প্ৰতিজ্ঞা সফল কৰিবলৈ উঠি পৰি লাগিছিল অৰুণিমা। কেতিয়াবা এনেকুৱা হৈছিল যে আন সাধাৰণ মানুহে যিটো খোজ দুই বা তিনি মিনিটত শিকিব পাৰিছিল তেওঁৰ ক্ষেত্ৰত সেই খোজটো শিকিবৰ বাবে দুই তিনি ঘণ্টাৰ সময় লাগিছিল। তথাপিও অৰুণিমাই আশা এৰি দিয়া নাছিল। অৱশেষত লাডাখত থকা মাউণ্ট চামছেৰ কাংৰিৰ ২১,১০৮ ফুট উচ্চতালৈ আৰোহণ কৰিবলৈ সক্ষম হ'ল অৰুণিমা। মাউণ্ট এভাৰেষ্ট কাংৰিৰ উচ্চতম শিখৰলৈ উচ্চতা আছিল ২১,৭৯৮ ফুট।

সেই সময়ত বতৰ আছিল অত্যন্ত প্ৰতিকূল। এনে প্ৰতিকূল বতৰত অভিযান চলোৱা অসম্ভৱ হৈ পৰাত শিখৰলৈ মাত্ৰ ৬৯০ ফুট অতিক্ৰম কৰিবলৈ বাকী থাকোঁতে অৰুণিমা সিন্হা আৰু সংগীসকলে অভিযান সামৰি তললৈ নামি আহিবলগীয়া হ'ল।

মাউণ্ট চামছেৰ কাংৰিৰ ২১,১০৮ ফুট উচ্চতালৈ আৰোহণ কৰাটোৱে অৰুণিমাৰ মনোবল অধিক দৃঢ় কৰি তুলিলে। এইবাৰ অৰুণিমা মাউণ্ট এভাৰেষ্ট বগাবলৈ সাজু হ'ল। পানী আৰু অক্সিজেন ৰ উপৰি মাউণ্ট এভাৰেষ্টৰ শৃংগত থিয় হৈ ফটো তোলা ,ভিডিঅ'ৰ জৰিয়তে বিশ্ববাসীক নিজৰ বিৰল অভিজ্ঞতাৰ বিষয়ে জনোৱাৰ অভিপ্ৰায়েৰে তেওঁ লগত দুটাকৈ কেমেৰা, লৈ গৈছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



চাৰি নং কেম্প পাওঁতে অৰুণিমাৰ দুয়োখন ভাৰৰ পৰা তেজ নিগৰি ভয়ংকৰ ৰূপ হৈছিল। লগত নিয়া অক্সিজেনো প্ৰায় শেষ হওঁ হওঁ হৈছিল।

অদম্য সাহস আৰু উৎসাহেৰে তেওঁ আগুৱাই গৈ আছিল। তেজ নিগৰি থকা আঁঠু দুটাৰ পৰা ৰুমালেৰে তেজ মছি মছি আগুৱাই গৈ থাকোতেঁ বাটত তেওঁ বহুতো অভিযাত্ৰীৰ মৃতদেহ দেখা পাইছিল। পিছে একোৱেই তেওঁক নিৰস্ত্ৰ কৰিব পৰা নাছিল। প্ৰচণ্ড পৰিশ্ৰম, অদম্য মনোবল আৰু কষ্ট সহিষ্ণুতাৰ ফল অৱশেষত ফলিল। কাঠমাণ্ডুৰ পৰা যাত্ৰা আৰম্ভ কৰাৰ বাৰ্ৰ দিনৰ অন্তত ২০১৩ চনৰ ২১মে'ৰ নিশা প্ৰায় আঠ বজাত তেওঁ ৮,৮৪৮ মিটাৰ উচ্চতাত অৱস্থিত মাউণ্ট এভাৰেষ্ট শৃংগত পদাৰ্পণ কৰিবলৈ সক্ষম হ'ল।তেওঁ প্ৰায় ডেৰ ঘণ্টা সময় অতিবাহিত কৰি নামি আহে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। 'একোগৰাকী ব্যক্তিয়ে নিজৰ প্ৰতিভাৰে জাতীয় জীৱনত জিলিকি উঠি আন সহস্ৰজনৰ বাবে আশা আৰু প্ৰেৰণাৰ বতৰা কঢ়িয়াই আনে।'- কথাষাৰৰ যুক্তিযুক্ততা অৰুণিমা সিন্‌হাৰ জীৱনৰ আধাৰত বুজাই লিখা।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- একোগৰাকী ব্যক্তিয়ে নিজৰ প্ৰতিভাৰে জাতীয় জীৱনত জিলিকি উঠি আন সহস্ৰজনৰ বাবে আশা আৰু প্ৰেৰণাৰ বতৰা কঢ়িয়াই আনে। তেনে আশা আৰু প্ৰেৰণাই বহুজনক আনন্দ দিয়ে, হতাশা দূৰ কৰে আৰু আগলৈ পুনৰ নতুন উদ্যমেৰে আগবাঢ়ি গৈ লক্ষ্যত উপনীত হ'বলৈ সাহস যোগায়। তেনে এগৰাকী ব্যক্তি হ'ল অৰুণিমা সিন্হা।

জীৱনৰ সফলতা তথা উন্নতিৰ মূল মন্ত্ৰ হ'ল প্ৰচণ্ড ইচ্ছাশক্তি আৰু দৃঢ়তা। প্ৰৱল ইচ্ছাশক্তিয়ে লক্ষ্যত উপনীত হোৱাৰ বাটত থকা অনেক প্ৰত্যাহ্বান হেলাৰঙে অতিক্ৰম কৰাত সহায় কৰে।

উত্তৰ প্ৰদেশৰ অৰুণিমা সিন্হা নামৰ চাব্বিছ বছৰীয়া যুৱতীগৰাকীয়ে অসাধ্য সাধন কৰি বিশ্বৰ আগত উদাহৰণ দাঙি ধৰিছে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ ভলীবল খেলুৰৈ অৰুণিমা সিন্হা লক্ষ্ণৌৰ পৰা দিল্লীৰ অভিমুখে ৰে'লযাত্ৰাত দুৰ্বৃত্তৰ কবলত পৰি এখন ভৰি চিৰদিনৰ বাবে হেৰুৱাব লগীয়া হৈছিল। হেৰুওৱা ভৰিখনৰ ঠাইত কৃত্ৰিম ভৰি লগাব লগীয়া হৈছিল। অথচ দুৰন্ত সাহস আৰু আত্মবিশ্বাসক সাৰথি কৰি অৰুণিমাই নিজৰ শাৰীৰিক প্ৰতিবন্ধকতা নেওচি এভাৰেষ্ট বিজয়ৰ সপোন দেখিছিল। এভাৰেষ্ট বিজয় কৰা বাচেন্দ্ৰি পালৰ পৰামৰ্শ, সহায় আৰু প্ৰশিক্ষণৰ বলত অৰুণিমাই নিজকে পৰ্বতাৰোহণৰ

বাবে সাজু কৰিছিল আৰু অৱশেষত ২০১৩ চনৰ ২১ মে'ত এভাৰেষ্ট আৰোহণ কৰি নিজৰ সপোন দিঠকত পৰিণত কৰিছিল।

যি সময়ত শাৰীৰিক প্ৰতিবন্ধকতাক সহস্ৰজনে নিজৰ দুৰ্ভাগ্যৰূপে জ্ঞান কৰি আহিছে, তেনে সময়ত অৰুণিমা সিন্‌হাই নিজৰ অধ্যৱসায়ৰ জৰিয়তে দুৰ্ভাগ্যক সৌভাগ্যলৈ ৰূপান্তৰিত কৰি জগতলৈ গৌৰৱোজ্জ্বল চানেকি দেখুৱাইছে।

৮। ক্রিকেট খেলুৰৈ যুৱৰাজ সিঙে অৰুণিমাক কেনেদৰে অনুপ্রাণিত কৰিছিল?



উত্তৰঃ- ক্রিকেট খেলুৰৈ যুৱৰাজ সিঙে অৰুণিমাক এভাৰেষ্ট বিজয়ৰ সপোন সাকাৰ কৰাত অনুপ্রেৰণা যোগাইছিল। কৰ্কট ৰোগত আক্রান্ত যুৱৰাজ সিঙে নিজৰ অদম্য মানসিক শক্তিৰে সেই বেমাৰৰ পৰা আৰোগ্য লাভ কৰি নিজৰ লক্ষ্য পূৰণৰ বাটত আগুৱাই যাবলৈ সক্ষম হোৱাটো অৰুণিমাই দেখিবলৈ পাইছিল। যুৱৰাজে দেখুৱাই দিছিল, মনৰ বল আৰু আত্মবিশ্বাস থাকিলে শাৰীৰিক বাধাই কোনো প্রতিৰোধৰ সৃষ্টি কৰিব নোৱাৰে আৰু জীৱনৰ উত্তৰণৰ বাটত ই হেঙাৰ হ'ব নোৱাৰে। যুৱৰাজ সিঙৰ দ্বাৰা অণুপ্রাণিত হৈ দুৰন্ত সাহস আৰু আত্মবিশ্বাসক সাৰথি কৰি অৰুণিমাই নিজৰ শাৰীৰিক প্রতিবন্ধকতা নেওচি এভাৰেষ্ট বিজয় কৰিবৰ বাবে সক্ষম হয়।


समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৯। চমুটোকা লিখাঃ

বাচেন্দ্রি পাল, টেনজিং নৰগে, ষ্টিফেন হকিং।





উত্তৰঃ- **বাচেন্দ্রি পালঃ** বাচেন্দ্রি পালৰ জন্ম হয় উত্তৰাখণ্ডৰ নাকুৰি গাৱঁত। প্রথম মহিলা এভাৰেষ্ট বিজয়ী বাচেন্দ্রি পালে প্রথমে পর্বতাৰোহন কৰিছিল ১২ বছৰ বয়সত। উচ্চতা আছিল ১৩,১২৩ ফুট। ১৯৮৪ চনত তেওঁ মাউণ্ট এভাৰেষ্টৰ শীর্ষত অৱতৰণ কৰিবলৈ সক্ষম হয়। ইয়াৰ বাবে তেওঁ "শ্রেষ্ঠ পর্বতাৰোহী" হিচাপে ১৯৮৪ চনত সোণৰ পদক লাভ কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

টেনজিং নৰগেঃ টেনজিং নৰগেৰে জন্ম হয় নেপালৰ খোলোখুম জিলাত। হিউ ৰাটলেজৰ নেতৃত্বত ১৯৩৬ চনত ব্রিটিচ মাউণ্ট এভাৰেষ্ট অভিযান আৰু দ্বিতীয় মাউণ্ট এভাৰেষ্ট অভিযান। প্রতিকূল বতৰৰ বাবে তেওঁলোকে এই অভিযান সম্পূর্ণ কৰিব নোৱাৰিলে। এনেদৰে কেইবাবাৰো অভিযান চলোৱাৰ অন্তত ১৯৫৩ চনৰ ২৯ মে' তাৰিখে তেওঁ এভাৰেষ্টত পদার্পণ কৰে। মাউণ্ট এভাৰেষ্ট আৰোহন কৰা বিশ্বৰ প্রথমগৰাকী পর্বতাৰোহনকাৰী হিচাপে তেওঁৰ নাম ইতিহাসৰ পাতত জিলিকি আছে।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

ষ্টিফেন হকিংঃ ষ্টিফেন হকিংৰ জন্ম হয় ১৯৪২ চনত। তেওঁৰ পিতৃৰ নাম আছিল ডং ফ্ৰাঙ্ক হকিং আৰু মাতৃৰ নাম আছিল ইছোবেল হকিং। তেওঁৰ সম্পূৰ্ণ নাম আছিল ষ্টিফেন উহলিয়াম হকিং। তেওঁ লণ্ডনত স্কুলীয়া জীৱন আৰম্ভ কৰে। হকিঙে প্ৰথম শ্ৰেণীৰ স্নাতক ডিগ্ৰী লাভ কৰে অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ পৰা আৰু কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ ত্ৰিনীতি কলেজৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। এই গৰাকী মহান বিজ্ঞানীৰ ২০১৮ চনৰ ১৪ মাৰ্চ তাৰিখে মৃত্যু হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

ভাষা-বিষয়ক :

১। সন্ধি ভাঙা —

সংশয়,
পর্বতাৰোহণ,
উৎসাহ,
হিমালয়,
প্রত্যাহ্বান,
বিপদাপন্ন।

সম্ + শয়

উত্তৰঃ- সংশয় — সম্ + শয়

পর্বতাৰোহণ — পর্বত + আৰোহণ

উৎসাহ — উৎ + সাহ

হিমালয় — হিম + আলয়


প্রত্যাহ্বান — প্রতি + আহ্বান

বিপদাপন্ন — বিপদ + আপন্ন

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। তলৰ শব্দকেইটাৰ উপসর্গ ভাঙি দেখুওৱা–



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- অনুৰাগ — অনু + ৰাগ

অনুভৱ — অনু + ভৱ

অভিনয় — অভি + নয়

প্রতিফল — প্রতি + ফল

